# ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়নৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্য্যালয়
## অচ্যুত প্লাজা (প্ৰথম মহলা), ভৰলুপাৰ, ভঙাগড়, গুৱাহটী-৭৮১০০৫

**নং:এছপিএমইউ/এনআৰচি/এমই(ৰিজৈন)/৩২১/২০১৬/৬** **দিনাংক: ১২/০৮/২০১৬**

প্ৰেৰক : প্ৰতীক হাজেলা, আই এ এছ
ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী
অসম

প্ৰতি : সম্পাদক
জনসাধাৰণ
গুৱাহাটী-২১

বিষয় : স্পষ্টীকৰণ প্ৰকাশৰ বাবে অনুৰোধ

প্ৰসংগ : ১১/০৮/২০১৬ তাৰিখে প্ৰকাশিত " এন আৰ চি ত সোমাব হিন্দু বাংলাদেশীৰ নাম! ৰাজ্য সভাত ৰাজনাথ সিঙে দিব নোৱাৰিলে সুনিৰ্দিষ্ট তথ্য" শীৰ্ষক বাতৰি দ্ৰষ্টব্য।

মহোদয়,

জনহিতৰ প্ৰতি লক্ষ্য ৰাখি প্ৰসংগ নিৰ্দেশিত উল্লেখিত বাতৰি সন্দৰ্ভত আপোনাৰ জনপ্ৰিয় বাতৰি কাকত "জনসাধৰণ" ত তলত উল্লেখিত স্পষ্টীকৰণটো প্ৰকাশ কৰিবলৈ অনুৰোধ জনালো:

**স্পষ্টীকৰণ:-**যোৱা ১১/০৮/২০১৬ সংখ্যাৰ আপোনাৰ জনপ্ৰিয় বাতৰিকাকত "জনসাধৰণ" প্ৰকাশিত "এন আৰ চি ত সোমাব হিন্দু বাংলাদেশীৰ নাম! ৰাজ্য সভাত ৰাজনাথ সিঙে দিব নোৱাৰিলে সুনিৰ্দিষ্ট তথ্য" শীৰ্ষক বাতৰিটো ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কত স্পষ্টীকৰণ দি জনাও যে আপোনাৰ জনপ্ৰিয় কাকতত প্ৰকাশিত ধৰণে খচৰা নাগৰিকপঞ্জী প্ৰকাশৰ সময় কোনো অদৃশ্য কাৰণৰ বাবে পলম হোৱা নাই। উন্নীতকৰণ প্ৰক্ৰিয়াটো মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰীক্ষণত আৰু আইন সন্মত বিধিৰ আধাৰত চলি আছে। উন্নীতকৃত এনআৰচি সম্পূৰ্ণ নিখুঁত হ'ব আৰু ইয়াত কোনো বিদেশী ব্যক্তিৰ নাম অন্তৰ্ভূক্ত নহয়।

নাগৰিকপঞ্জী প্ৰকাশৰ ক্ষেত্ৰত উল্লেখেনীয় যে নাগৰিকপঞ্জী প্ৰকশৰ সময়সীমা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ ৰাজ্যিক সমন্বয়কে মহামান্য উচ্চতম ন্যায়ালয়ত পৰৱৰ্ত্তী শুনানিৰ সময়ত দাখিল কৰা কামৰ অগ্ৰগতিৰ খতিয়ান পৰ্য্যালোচনা কৰি মহামান্য উচ্চতম ন্যায়ালয়ে নিৰ্দ্ধাৰণ কৰাৰ পিছতহে জনাব পৰা যাব। উল্লেখযোগ্য যে, গুণগত মানদণ্ডৰ ক্ষেত্ৰত কোনো আপোচ নকৰাকৈ যিমান সম্ভৱ সোনকালে আৰু নিয়াৰিকৈ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ কাম সম্পন্ন কৰাৰ দিহা কৰা হৈছে।

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ দৰে এনে এটা স্পৰ্শকাতৰ বিষয় সন্দৰ্ভত বাতৰি কাকতত প্ৰকাশিত এনে ভিত্তিহীন বাতৰিয়ে জনমানসত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পাৰে। ৰাজ্যিক

সমন্বয়কৰ পৰা জানি বুজি নোলোৱাকৈ এনে ধৰণৰ একপক্ষীয় বা-বাতৰি "জনসাধাৰণ" ৰ দৰে জনপ্ৰিয় কাকতত প্ৰকাশ কৰাটো বাঞ্চনীয় নহয়। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কৰ্তৃপক্ষই ভিত্তিহীন আৰু মনেসজা এই বাতৰিটো সন্দৰ্ভত তীব্ৰ বিৰোধিতা প্ৰকাশ কৰাৰ লগতে জনসাধাৰণক এনে অপ-প্ৰচাৰৰ দ্বাৰা বিভ্ৰান্ত নহ'বলৈ অনুৰোধ জনাইছে।

ইতি,

(প্ৰতীক হাজেলা, আই এ এছ)
ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী
অসম

স্মাৰক নং: এছপিএমইউ/এনআৰচি/এমই(ৰিজৈন)/৩২১/২০১৬/৬-ক দিনাংক: ১২/০৮/২০১৬

প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল:
১) ব্যক্তিগত সচিব, মুখ্য সচিব, অসম। বিষয়টো মুখ্য সচিব মহোদয়ক অৱগত কৰিবলৈ অনুৰোধ কৰা হ'ল।

(প্ৰতীক হাজেলা, আই এ এছ)
ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী
অসম

o/c

# এন আৰ চিত সোমাব হিন্দু বাংলাদেশীৰ নাম !

## ৰাজ্যসভাত ৰাজনাথ সিঙে দিব নোৱাৰিলে সুনির্দিষ্ট তথ্য

**ষ্টাফ ৰিপ'টাৰ, নতুন দিল্লী, ১০ আগষ্ট ঃ** নাগৰিকপঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণৰূপে উদাসীন। ৰাজ্যসভাৰ সাংসদ ৰিপুন বৰাই নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া এতিয়া কি অৱস্থাত আছে সেই সন্দৰ্ভত কৰা এক মৌখিক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিঙে চলিত বৰ্ষৰ ডিচেম্বৰ মাহৰ ভিতৰতো এন আৰ চি সম্পূৰ্ণ নহ'ব বুলি ইংগিত দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীজনে আনকি স্পষ্টকৈ ক'ব নোৱাৰিলে কেতিয়ানো ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী সম্পূৰ্ণ হ'ব। ৰাজ্যসভাত প্ৰদান কৰা এক বিবৃতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে কয় যে ২০১৩ চনৰ জানুৱাৰী মাহত কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা এক জাননী অনুসৰি ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া তিনিবছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। সেই অনুসৰি চলিত বৰ্ষৰ ডিচেম্বৰ মাহত নাগৰিকপঞ্জীৰ চূড়ান্ত তালিকা প্ৰকাশ হ'ব লাগে। কিন্তু সেইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কোনো ধৰণৰ স্পষ্ট কথা আজি সদনত দাঙি ধৰিব নোৱাৰিলে। ইয়াৰ বিপৰীতে *৮ পৃষ্ঠাত*

**প্ৰথম পৃষ্ঠাৰ পৰা**

# এন আৰ চিত সোমাব হিন্দু বাংলাদেশীৰ নাম !

কেন্দ্ৰীয় গৃহমন্ত্ৰী ৰাজনাথ সিঙে কয় যে প্ৰক্ৰিয়া চূড়ান্ত কৰিবৰ বাবে প্ৰয়াস অব্যাহত আছে। উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপত ২০১৪ চনৰপৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ কাম দ্ৰুতগতিত আগ বাঢ়িছিল আৰু ন্যায়ালয়ৰ প্ৰাৰম্ভিক নিৰ্দেশ অনুযায়ী ইয়াৰ খচৰা ২০১৫ চনৰ এক নৱেম্বৰ আৰু চূড়ান্ত তালিকা ২০১৬ চনৰ এক জানুৱাৰী নিৰ্দিষ্ট কৰা হৈছিল। কিন্তু পৰিতাপৰ কথাটো হ'ল ২০১৫ চনৰ ৬ অক্টোবৰৰ এক শুনানিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীত কৰাৰ ক্ষেত্ৰত চৰকাৰে আৰু কিছু সময় বিচাৰে। উচ্চতম ন্যায়ালয়ে সেই সময়ত দুমাহলৈ সময়সীমা বৃদ্ধি কৰে আৰু সেই অনুসৰি ২০১৬ চনৰ জানুৱাৰীত খচৰা আৰু এক মাৰ্চত চূড়ান্ত তালিকা প্ৰকাশ হোৱাৰ কথা আছিল। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ পিছতো চৰকাৰে এন আৰ চি সম্পূৰ্ণ কৰিব নোৱাৰিলে। বিজেপিৰ নেতৃত্বৰ চৰকাৰে দায়িত্ব গ্ৰহণ কৰাৰ দুমাহ পাৰ হোৱাৰ পিছতো সেইক্ষেত্ৰত কিন্তু মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱালেই হওক অথবা মন্ত্ৰী পৰিষদৰ কোনোৱেই নাগৰিকপঞ্জী উন্নীতকৰণৰ বিষয়টো গুৰুত্বসহকাৰে লোৱা দেখা নগ'ল। শপতগ্ৰহণ কৰাৰ পিছতেই মুখ্য মন্ত্ৰী সোণোৱালে এন আৰ চি সঞ্চালকালয়ত প্ৰৱেশ কৰি খুব কম দিনৰ ভিতৰতে চূড়ান্ত কৰা হ'ব বুলি ঘোষণা কৰিছিল যদিও এতিয়া কিন্তু ৰাজ্য চৰকাৰৰ তৰফৰপৰা কোনো ধৰণৰ নিশ্চয়তা কেন্দ্ৰীয় চৰকাৰক দিব পৰা নাই। গৃহমন্ত্ৰী ৰাজনাথ সিঙে ৰাজ্য চৰকাৰৰ তথ্যৰ ওপৰত ভিত্তি কৰিয়েই আজি ঘোষণা কৰিছে যে চৰকাৰে চেষ্টা অব্যাহত ৰাখিছে যদিও এন আৰ চি কেতিয়া হ'ব সেয়া স্পষ্টকৈ কৈ দিব নোৱাৰে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত মুখ্য মন্ত্ৰী তৰুণ গগৈৰ তৎপৰতাতে এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল আৰু সেই সময়ৰ চৰকাৰে এক সঞ্চালকালয় গঠন কৰি সমগ্ৰ প্ৰক্ৰিয়াটো খৰতকীয়া কৰিবৰ বাবে ব্যৱস্থা কৰিছিল। বৰ্তমান চৰকাৰে কিন্তু এন আৰ চি সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত কিছু হেঁচকা-পিছলা কৰাহে দেখা গৈছে। হিন্দু বাংলাদেশীৰ নাম এন আৰ চিত অন্তৰ্ভুক্ত কৰিবৰ বাবে চৰকাৰে এনে সোপাটিলা নীতি লৈছে নেকি সেই লৈ প্ৰশ্ন উত্থাপন হৈছে। ৰাজনাথ সিঙৰ সদনত দিয়া বক্তব্যই আজি বহুতৰে মনত সন্দেহ সৃষ্টি কৰিছে প্ৰকৃততে এন আৰ চিত হিন্দু বাংলাদেশীৰ নাম অন্তৰ্ভুক্ত কৰাৰ ষড়যন্ত্ৰ চৰকাৰে কৰিছে নেকি? উচ্চতম ন্যায়ালয়ে শেহতীয়া কোনো সময় বান্ধি দিয়া নাই এন আৰ চি চূড়ান্ত কৰাৰ ক্ষেত্ৰত। শেহতীয়া শুনানিত ন্যায়ালয়ৰ তৰফৰপৰা এই কথাহে কোৱা হৈছে যে খৰধৰ কৰি যাতে এন আৰ চিৰ গুণগত মান আৰু প্ৰকৃত উদ্দেশ্য বিফল নহয়। ১৯৫১ চনৰ নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া কেবাটাও পৰ্যায় ইতিমধ্যে পাৰ হৈছে যদিও চৰকাৰে কৌশল কৰি হিন্দু বাংলাদেশীৰ নাম অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিছে নেকি সেই লৈ প্ৰশ্ন উত্থাপন হোৱাৰ সময়তে জাতীয় সংগঠন বিশেষকৈ আছুৰ ৰহস্যজনক মৌনতা মন কৰিবলগীয়া হৈ পৰিছে। নাগৰিকপঞ্জীত লাখ লাখ বাংলাদেশীৰ নাম অন্তৰ্ভুক্ত হ'ব নেকি সেই লৈ অনিশ্চয়তা থকাৰ সময়তে জাতীয় সংগঠনসমূহৰ ভূমিকাত বহু প্ৰশ্নবোধক ৰৈ গৈছে।

### ১৯৭১ৰ পূৰ্বৰ ১৯ হাজাৰ বাংলাদেশীয়ে কৰা নাই নাম পঞ্জীয়ন

**ষ্টাফ ৰিপৰ্টাৰ :** ১৯৭১ চনৰ ২৪ মাৰ্চৰ পিছত অহা অবৈধ হিন্দু বাংলাদেশীক নাগৰিকত্ব দিয়াৰ প্ৰসংগক লৈ ৰাজ্যৰ ৰাজনীতি উত্তাল হৈ থকাৰ সময়তে ১৯৭১ চনৰ পূৰ্বে অসমলৈ অনুপ্ৰৱেশ কৰিও নাগৰিকত্ব লাভৰ বাবে আগ্ৰহ প্ৰকাশ নকৰা ১৯ হাজাৰ বাংলাদেশীৰ স্থিতিক লৈ ৰহস্যৰ সৃষ্টি হৈছে। এই বিষয়টোত আৰক্ষীৰ লগতে ৰাজনৈতিক দল আৰু জাতীয়তাবাদী দল-সংগঠনে কোনো গুৰুত্ব নিদিয়াৰ সুযোগত ১৯৬৬ চনৰ ১ জানুৱাৰীৰপৰা ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশাপৰ্যন্ত অসমলৈ অহা অথচ এতিয়ালৈকে নাগৰিকত্ব লাভ নকৰা বাংলাদেশী লোকসকলৰ আঁৰ লৈ অধিক বাংলাদেশী নাগৰিকে অদূৰ ভৱিষ্যতে নাগৰিকত্ব লাভৰ প্ৰয়াস কৰিব পাৰে বুলি আশংকাৰ সৃষ্টি হৈছে। উল্লেখ্য যে ১৯৬৬ চনৰ ১ জানুৱাৰীৰপৰা ১৯৭১ চনৰ ২৪ মাৰ্চৰ ভিতৰত অনুপ্ৰৱেশ কৰা বাংলাদেশী লোকসকলৰ নাম দহ বছৰৰ বাবে ভোটাৰ তালিকাৰপৰা কৰ্তন কৰি ৰাখি দহ বছৰ সম্পূৰ্ণ কৰাৰ লগে লগে নাগৰিকত্ব দিয়াৰ ব্যৱস্থা অসম চুক্তিত সন্নিবিষ্ট কৰা হৈছিল। সেই অনুসৰি এই সময়ছোৱাৰ ভিতৰত অহা কোনো লোক ধৰা পৰিলে তেওঁলোকে নিজৰ নাম বিদেশী পঞ্জীয়ন বিষয়া অৰ্থাৎ জিলাৰ আৰক্ষী অধীক্ষকৰ ওচৰত ৬০ দিনৰ ভিতৰত পঞ্জীয়ন কৰাব লাগে। পঞ্জীয়নৰ ১০ বছৰ পিছত তেওঁলোকৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হয়। ৰাজ্য চৰকাৰৰ গৃহ বিভাগৰ এক সূত্ৰই সদৰী কৰা মতে ২০১৬ চনৰ এপ্ৰিল মাহপৰ্যন্ত ১৯৬৬ চনৰ ১ জানুৱাৰীৰপৰা ১৯৭১ চনৰ ২৪ মাৰ্চৰ ভিতৰত অনুপ্ৰৱেশ কৰা ৩৩,১৯৮জন বাংলাদেশীক চিনাক্ত কৰা হৈছে। ইয়াৰে ১৪,১২৭জনে বিদেশী পঞ্জীয়ন বিষয়াৰ ওচৰত নাম পঞ্জীয়ন কৰাৰ বিপৰীতে ১৯,০৭১জনে এতিয়াও নাম পঞ্জীয়ন কৰা নাই। এই বিষয়টো গুৰুত্বসহকাৰে লৈ ২০১০ চনতে গুৱাহাটী উচ্চ ন্যায়ালয়ে ৬০ দিনৰ ভিতৰত নাম পঞ্জীয়ন নকৰা লোকসকলক বহিষ্কাৰৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰক কঠোৰ নিৰ্দেশ দিছিল। উচ্চতম ন্যায়ালয়েও ডব্লিউ পি (চি) ১৯৮০/২০০৯ নম্বৰৰ এটা গোচৰৰ ৰায়দান কৰি একে ধৰণৰ নিৰ্দেশ দিছিল। কিন্তু আদালতৰ এই নিৰ্দেশৰ পিছতো ৰহস্যজনকভাৱে পঞ্জীয়ন বিষয়াৰ ওচৰত নাম পঞ্জীয়ন নকৰা ১৯ হাজাৰ বাংলাদেশীৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নাই চৰকাৰে। গৃহ বিভাগৰ সূত্ৰটোৰ মতে স্পৰ্শকাতৰ বিষয়টো জিলাসমূহৰ আৰক্ষী অধীক্ষকে গুৰুত্বসহকাৰে লোৱা নাই। আৰক্ষী অধীক্ষকসকলে এনে বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ তথ্য গৃহ বিভাগলৈ প্ৰেৰণ কৰাত হেমাহি কৰি অহা বুলি গৃহ বিভাগৰ সূত্ৰটোৱে অভিযোগ কৰে।

## স্বাধীনতা দিৱস বৰ্জনৰ আহ্বান